# অঞ্চল বা আঞ্চলিক ভূগোলৰ ধাৰণা

## তৃতীয় খণ্ড

### পাঠভিত্তিক অতি চমু প্ৰশ্নোত্তৰ

### প্ৰশ্ন ১। অঞ্চল বুলিলে কি বুজা ? ভূগোল অধ্যয়নত অঞ্চলৰ গুৰুত্ব সম্পৰ্কে ব্যাখ্যা আগবঢ়োৱা ।

**উত্তৰঃ** অঞ্চল হৈছে আঞ্চলিক ভূগোল অধ্যয়নৰ ভিত্তি আৰু পৃথিৱীৰ উপৰিভাগৰ এক ক্ষুদ্ৰ অংশ বা ঠাই । ভূগোল অধ্যয়নত অঞ্চলৰ অধিক গুৰুত্ব আছে । ভূগোলবিদসকলে নিৰ্দিষ্ট কিছুমান উদ্দেশ্যৰ ভিত্তিত পৃথিৱীৰ উপৰিভাগক অধ্যয়নৰ সুবিধাৰ্থে ভাগ কৰে । ভৌগোলিক উপাদানৰ সাদৃশ্যৰ ভিত্তিত আৰু উপাদানবোৰৰ ক্ৰিয়াত্মক সম্পৰ্কৰ ভিত্তিত এই অঞ্চলবোৰ ভাগ কৰা হয় ।

আঞ্চলিক ভূগোলে পৃথিৱীৰ একোটা অঞ্চল , ঠাই বা দেশ – মহাদেশৰ সামগ্ৰিক ভৌগোলিক চিত্ৰখন প্ৰতিফলিত কৰে । আঞ্চলিক ভূগোল অধ্যয়নে সংশ্লিষ্ট অঞ্চলটোৰ অন্তৰ্গত প্ৰাকৃতিক , সামাজিক , অৰ্থনৈতিক তথা যাতায়ত , পৰিবহণ আদি ব্যৱস্থাৰ বিতং বিৱৰণ দাঙি ধৰে । পৃথিৱীৰ প্ৰতিটো অঞ্চলৰে বা প্ৰতিখন ঠাইৰে এক নিজা নিজা অস্তিত্ব আৰু সুকীয়া বৈশিষ্ট্য আছে । ভিন্ন প্ৰাকৃতিক পৰিৱেশত সম্পদৰ স্থিতি আৰু গুণাগুণ বেলেগ বেলেগ হোৱা বাবে ইয়াৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা আৰ্থিক বিকাশো ভিন্ন হয় । সামাজিক পটভূমি , ৰীতি-নীতি , ভাব ভাষা , পোছাক – পৰিচ্ছেদ , খাদ্যাভ্যাস আদিৰ ক্ষেত্ৰতো পৰিৱেশভেদে পাৰ্থক্য থাকে । সেয়ে পৃথিবীৰ ভৌগোলিক বৈচিত্ৰ্যৰ বিষয়ে সঠিকভাৱে জানিবলৈ হ'লে ভূগোল অধ্যয়নত অঞ্চলৰ প্ৰয়োজনীয়তা আছে । কেইবাটাও অঞ্চল একেলগে অধ্যয়ন কৰিলে অঞ্চলবোৰৰ মাজত আঞ্চলিক উন্নয়নৰ বুজ ল'ব পাৰি।

### প্ৰশ্ন ২। ভূ – পৃষ্ঠত অঞ্চলক কেনেদৰে চিনাক্ত কৰিব পাৰি ?

**উত্তৰঃ** ভূ – পৃষ্ঠত অঞ্চলক দুই প্ৰকাৰে চিনাক্ত কৰিব পাৰি । ভৌগোলিক উপাদানৰ সাদৃশ্যৰ ভিত্তিত অঞ্চল চিনাক্ত কৰা হয় আৰু ভৌগোলিক উপাদানসমূহৰ ক্ৰিয়াত্মক সম্পৰ্কৰ ভিত্তিত ভূ – পৃষ্ঠত অঞ্চল চিনাক্ত কৰিব পাৰি । সাদৃশ্যৰ ভিত্তিত চিনাক্ত কৰা অঞ্চলক বা কোনো এক অংশক সমধৰ্মী অঞ্চল ( Homogenous Region ) বোলা হয় আৰু ভৌগোলিক উপাদানৰ ক্ৰিয়াত্মক সম্পৰ্কৰ ভিত্তিত চিনাক্ত কৰা অঞ্চলক ক্ৰিয়াত্মক অঞ্চল ( Functional Region ) বুলি কোৱা হয় । কিছু পাকৃতিক উপাদান যেনে

— মাটি , জলবায়ু , উদ্ভিদ , জনবসতি আদিৰ সাদৃশ্যৰ ওপৰত নিৰ্ভৰ কৰি অঞ্চল চিনাক্ত কৰা হয় ।

**প্ৰশ্ন ৩। সমধৰ্মী অঞ্চল আৰু ক্ৰিয়াত্মক অঞ্চলৰ মাজত পাৰ্থক্য দাঙি ধৰা ।**

**উত্তৰঃ** সমধৰ্মী অঞ্চল আৰু ক্ৰিয়াত্মক অঞ্চলৰ মাজত পাৰ্থক্য আছে । সমধৰ্মী অঞ্চল ভৌগা◌েলিক উপাদানৰ সাদৃশ্যৰ ভিত্তিত চিনাক্ত কৰিব পাৰি , আনহাতে ক্ৰিয়াত্মক অঞ্চল ভৌগা◌েলিক উপাদানবা◌েৰ ক্ৰিয়াত্মক সম্পৰ্কৰ ভিত্তিত চিনাক্ত কৰা হয় ।

সমধৰ্মী অঞ্চলৰ জৰিয়তে কোনা◌ে এক অঞ্চলৰ অন্তৰ্গত জলবায়ু , মাটি তথা উদ্ভিদ সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰি আনহাতে ক্ৰিয়াত্মক অঞ্চলৰ জৰিয়তে অঞ্চলটোৰ আভ্যন্তৰীণ কাৰ্য তথা সকলা◌ে কাম – কাজৰ বিষয়ে বুজ ল’ব পাৰি । সমধৰ্মী অঞ্চল এক বহল পৰিসৰৰ অধ্যয়ন কিন্তু ক্ৰিয়াত্মক অঞ্চলৰ পৰিসীমা নিচেই কম হ’ব পাৰে । সাধাৰণতে নগৰ বা বজাৰ কেন্দ্ৰক কেন্দ্ৰ কৰি ক্ৰিয়াত্মক অঞ্চল চিহ্নিত কৰা হয় ।

**প্ৰশ্ন ৪। পৃথিৱীৰ আঞ্চলিক ভূগোল বুলিলে কি বুজা ? এনে অধ্যয়নৰ তাৎপৰ্য কি ?**

**উত্তৰঃ** পৃথিৱীৰ আঞ্চলিক ভূগা◌েল হৈছে প্ৰাকৃতিক পৰিৱেশত উপাদান সমূহৰ আঞ্চলিক অধ্যয়ন । পৃথিৱীৰ উপৰিভাগৰ প্ৰাকৃতিক উপাদান সমূহৰ কিছু কিছু অঞ্চলভিত্তিক সাদৃশ্য আছে । পৃথিৱীৰ প্ৰতিটো অঞ্চলৰ ভূগা◌েল অধ্যয়নৰ সামগ্ৰিক ৰূপটোৱেই হৈছে পৃথিৱীৰ আঞ্চলিক ভূগা◌েল ।

পৃথিৱীৰ আঞ্চলিক ভূগোল অধ্যয়নৰ তাৎপৰ্য আৰু গুৰুত্ব অধিক । এখন মহাদেশ , দেশ বা ৰাজ্যৰ সামগ্ৰিক অৱস্থাৰ বিষয়ে জানিবলৈ হ’লে ইয়াৰ প্ৰাকৃতিক আৰু মানৱ পৰিৱেশৰ প্ৰতিটো উপাদান আৰু সিহঁতৰ মাজত থকা সম্পৰ্ক গুৰুত্ব সহকাৰে অধ্যয়ন কৰাটো দৰকাৰ । অঞ্চল ভিত্তিক অধ্যয়নৰ জৰিয়তে কোনা◌ে এখন দেশ বা একোটা অঞ্চলৰ আৰ্থ সামাজিক উন্নয়ন আৰু ইয়াৰ সৈতে জড়িত বিভিন্ন সমস্যাৰ বিষয়ে জানিব পাৰি । একো একোটা অঞ্চলৰ প্ৰাকৃতিক আৰু আৰ্থ – সামাজিক বৈশিষ্ট্যসমূহৰ ভৌগা◌েলিক অধ্যয়ন কৰিয়েই বিভিন উন্নয়নমূলক আঁচনি যুগুত কৰা হয় । সেয়ে পৃথিৱীৰ কোনা◌ে এক অঞ্চলৰ আঞ্চলিক জ্ঞান লাভ কৰিবলৈ হ’লে পৃথিৱীৰ আঞ্চলিক ভূগা◌েল আধ্যয়ন কৰাটো বিশেষ প্ৰয়া◌েজন । সেই কাৰণে পৃথিৱীৰ আঞ্চলিক ভূগা◌েল অধ্যয়নৰ গুৰুত্ব দিনক দিনে বৃদ্ধি পাইছে ।

**প্ৰশ্ন ৫। প্ৰাকৃতিক অঞ্চল বুলিলে কি বুজা ? সমগ্ৰ পৃথিৱীক কিমানটা প্ৰাকৃতিক অঞ্চলত বিভক্ত কৰিব পাৰি ? প্ৰতিটোৰ নাম লিখা আৰু মানচিত্ৰত দেখুওৱা ।**

**উত্তৰঃ** প্ৰাকৃতিক অঞ্চল ( Natural Region ) বুলিলে পৃথিৱীৰ উপৰিভাগৰ যিবােৰ অংশৰ ভূ – অৱয়ব , জলবায়ু , প্ৰাকৃতিক উদ্ভিদ আৰু মাটিৰ গুণাগুণ প্ৰায় একে ধৰণৰ হয় , সেইবােৰক একেলগে প্ৰাকৃতিক অঞ্চল বােলা হয় । অৰ্থাৎ পৃথিৱীৰ যি অংশত একে ধৰণৰ প্ৰাকৃতিক প্ৰণালীসমূহৰ প্ৰভাৱ অনুভূত হয় আৰু তাৰ ফলত মানুহৰ কাৰ্যাৱলীও সেইমতে , সেই অংশবােৰক একোটা প্ৰাকৃতিক অঞ্চল বুলি কোৱা হয় ।

জলবায়ু আৰু প্ৰাকৃতিক উদ্ভিদৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি সমগ্ৰ পৃথিৱীক এঘাৰটা প্ৰাকৃতিক অঞ্চলত বিভক্ত কৰিব পাৰি । সেইবােৰ হৈছে –

( i ) নিৰক্ষীয় অঞ্চল ।

( ii ) মৌচুমী অঞ্চল ।

( iii ) ক্রান্তীয় তৃণভূমি অঞ্চল ।

( iv ) ক্রান্তীয় উষ্ণ মৰু অঞ্চল ।

( v ) ভূমধ্য সাগৰীয় অঞ্চল ।


( vi ) মধ্য অক্ষাংশৰ মৰু অঞ্চল ।

( vii ) মধ্য অক্ষাংশৰ নাতিশীতােষ্ণ অঞ্চল ।

( viii ) মধ্য অক্ষাংশৰ তৃণভূমি অঞ্চল ।

( ix ) শীতল সৰলবৰ্গীয় অৰণ্য অঞ্চল ।

( x ) শীতল মেৰু অঞ্চল । আৰু




পৃথিৱীৰ প্ৰধান প্ৰাকৃতিক অঞ্চলসমূহ

**প্ৰশ্ন ৬। প্ৰাকৃতিক অঞ্চল অধ্যয়নৰ জৰিয়তে কেনেকৈ পৃথিবীৰ আঞ্চলিক ভূগা েল সম্পৰ্কীয় জ্ঞান লাভ কৰিব পাৰি ? চমুকৈ লিখা ।**

**উত্তৰঃ** প্ৰাকৃতিক অঞ্চল অধ্যয়নৰ জৰিয়তে পৃথিৱীৰ আঞ্চলিক ভূগা েল সম্পৰ্কীয় জ্ঞান লাভ কৰিব পাৰি । প্ৰাকৃতিক পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰিয়েই পৃথিৱীৰ কিছুমান অঞ্চল প্ৰধানকৈ কৃষি আৰু আন কিছুমান অঞ্চল উদ্যোগ অঞ্চল হিচাপে গঢ় লৈ উঠে । এখন মহাদেশ , দেশ বা ৰাজ্যৰ সামগ্ৰিক অৱস্থাৰ বিষয়ে জানিবলৈ হ'লে প্ৰাকৃতিক আৰু মানৱ পৰিৱেশৰ প্ৰতিটো উপাদান আৰু সিহঁতৰ মাজত থকা সম্পৰ্ক গুৰুত্ব সহকাৰে অধ্যয়ন কৰাটো জৰুৰী ।

প্ৰাকৃতিক পৰিৱেশৰ সাদৃশ্যৰ ওপৰত ভিত্তি কৰি পৃথিৱীত কেইবাটাও প্ৰাকৃতিক অঞ্চল চিনাক্ত কৰা হয় আৰু একো – একোটা প্ৰাকৃতিক অঞ্চলৰ প্ৰাকৃতিক আৰু আৰ্থ সামাজিক বৈশিষ্ট্যসমূহৰ ভৌগা েলিক অধ্যয়নৰ জৰিয়তে বিভিন্ন উন্নয়নমূলক আঁচনি প্ৰস্তুত কৰা হয় । প্ৰতিটো প্ৰাকৃতিক অঞ্চলে ভিন্ন ভৌগা েলিক উপাদানেৰে ভৰি থাকে আৰু পৃথিৱীৰ আঞ্চলিক ভূগা েল সম্পৰ্কীয় জ্ঞান লাভ কৰিবলৈ হ'লে প্ৰাকৃতিক অঞ্চল অধ্যয়নৰ অধিক গুৰুত্ব আছে । ভিন্ন প্ৰাকৃতিক অঞ্চলৰ জলবায়ু , উষ্ণতা , বৃষ্টিপাত , তুষাৰপাত আদিৰ তাৰতম্য দেখা যায় । প্ৰাকৃতিক অঞ্চল অধ্যয়নৰ জৰিয়তে , অঞ্চলভেদে থকা

উপাদানসমূহৰ তাৰতম্যৰ কথা সহজে গম পাব পাৰি আৰু এটা সিদ্ধান্তত উপনীত হ’ব পাৰি ।

**প্ৰশ্ন ৭। পৃথিৱীৰ প্ৰতিটো প্ৰাকৃতিক অঞ্চলৰ ভূ – প্ৰাকৃতিক পৰিৱেশ সম্পৰ্কে লিখা ।**

**উত্তৰঃ** পৃথিৱীৰ প্ৰতিটো প্ৰাকৃতিক অঞ্চলৰ ভূ – প্ৰাকৃতিক পৰিৱেশ সম্পৰ্কে তলত আলাোচনা কৰা হ’ল-

( ক ) নিৰক্ষীয় প্ৰাকৃতিক অঞ্চলৰ জলবায়ু উষ্ণ আৰু আৰ্দ্ৰ । এই অঞ্চলটোত সূৰ্যৰ ৰশ্মি লম্বভাৱে পৰে বাবে গ্ৰীষ্ম – শীতকালৰ তাৰতম্য নিচেই কম হয় । এই অঞ্চলত গড় উত্তাপৰ পৰিমাণ ২৭° ছেলছিয়াচ আৰু বছৰি গড় বৃষ্টিপাতৰ পৰিমাণ ২০০ ছেণ্টিমিটাৰ । অঞ্চলটো চিৰসেউজীয়া ডাঠ অৰণ্য আৰু সৰু সৰু জোপাোহা বনৰে পৰিপূৰ্ণ ।

( খ ) মৌচুমী অঞ্চলৰ জলবায়ুৰ প্ৰধান বৈশিষ্ট্য হৈছে ঋতু পৰিৱৰ্তন , অৰ্থাৎ উষ্ণ আৰু আৰ্দ্ৰ গ্ৰীষ্মকাল আৰু ঠাণ্ডা তথা শুকান শীতকাল । গ্ৰীষ্মকাল আৰু শীতকালৰ মাজত উত্তাপৰ পাৰ্থক্য ১৫° ছেলছিয়াচ আৰু বছৰ বৃষ্টিপাতৰ পৰিমাণ গড়ে ২০০ ছেণ্টিমিটাৰ । এই অঞ্চলত ঋতু পৰিৱৰ্তনৰ লগে লগে বৰষুণৰ তাৰতম্য ঘটে , সেয়ে এনে অঞ্চলত অধিক পৰিমাণে পৰ্ণপাতী উদ্ভিদ দেখা যায় ।

( গ ) ক্ৰান্তীয় তৃণভূমি অঞ্চলৰ জলবায়ুৰ প্ৰধান বৈশিষ্ট্য হৈছে উষ্ণ আৰু চুটি গ্ৰীষ্মকাল আৰু শুকান তথা দীঘল শীতকাল । এনে অঞ্চলত দৈনিক আৰু ঋতুভেদে উষ্ণতাৰ তাৰতম্য অধিক হয় । এই অঞ্চলত বছৰি বৰষুণৰ পৰিমাণ মধ্যমীয়া , অৰ্থাৎ ২৫ ৰ পৰা ১০০ ছেণ্টিমিটাৰ পৰ্যন্ত, আৰু ইয়াত ওখ ঘাঁহ জাতীয় উদ্ভিদ দেখা যায় ।

( ঘ ) ক্ৰান্তয়ী উষ্ণ মৰু অঞ্চলৰ জলবায়ু সদায়েই উষ্ণ আৰু শুকান হয় । আৰু তাত দিন আৰু ৰাতিৰ উষ্ণতাৰ তাৰতম্য বেছি । গ্ৰীষ্মকালত দিনৰ ভাগত উত্তাপ ৪৫° ছেলছিয়াচলৈ বৃদ্ধি পায় । এই অঞ্চলত বছৰি গড় বৰষুণৰ পৰিমাণ ২০-২৫ ছেণ্টিমিটাৰ । মৰু অঞ্চলত বৰষুণৰ অভাৱত কেৱল চুটি ঘাঁহ আৰু কাঁইটীয়া উদ্ভিদ জন্মে ।

( ঙ ) ভূমধ্য সাগৰীয় অঞ্চলৰ ভূ – প্ৰাকৃতিক পৰিৱেশ এয়ে যে ইয়াত গ্ৰীষ্মকাল উষ্ণ আৰু শুকান , আৰু শীতকাল ঠাণ্ডা আৰু সেমেকা । এই অঞ্চলত শীতকালত বৰষুণ হয় , গাোটেই বছৰটোৰ গড় উচ্চতা ৮ ৰ পৰা ২৫° ছেলছিয়াচৰ ভিতৰত থাকে আৰু বছৰি বৰষুণৰ পৰিমাণ ২৫-৭৫ ছেণ্টিমিটাৰ । এই অঞ্চলত চিৰসেউজীয়া চুটি গছ – গছনি আৰু জোপাোহা বননি দেখা যায় ।

( চ ) মধ্য অক্ষাংশৰ মৰু অঞ্চলৰ চাৰিওফালে উচ্চ পৰ্বতে আগুৰি আছে । এই অঞ্চলত বৰষুণৰ পৰিমাণ অতি কম আৰু মহাদেশীয় অৱস্থানৰ বাবে ইয়াত গ্ৰীষ্মকাল আৰু শীতকালৰ মাজত উষ্ণতাৰ পাৰ্থক্য অধিক হয় । এই অঞ্চলত শীতকালি কিছু পৰিমাণে তুষাৰপাত হয় ।

( ছ ) মধ্য অক্ষাংশৰ নাতিশীতােষ্ণ অঞ্চলত ঠাণ্ডা – গৰমৰ প্ৰকোপ কম । ইয়াত গ্ৰীষ্মকালৰ উত্তাপ গড়ে ১৫° ছেলছিয়াচ আৰু শীতকালত ৫° ৰ পৰা ১০° ছেলছিয়াচ । বছৰি গড় বৃষ্টিপাতৰ পৰিমাণ ৭৫ ৰ পৰা ১৫০ ছেণ্টিমিটাৰৰ ভিতৰত থাকে । এই অঞ্চলৰ শীতকাল অতি শুকান হয় । বৃষ্টিপাতৰ তাৰতম্য অনুসৰি ইয়াত ভিন্ন প্ৰকাৰৰ প্ৰাকৃতিক উদ্ভিদ দেখা যায় ।

( জ ) মধ্য অক্ষাংশৰ তৃণভূমি অঞ্চলত গ্ৰীষ্মকাল আৰু শীতকালৰ মাজত পাৰ্থক্য অধিক আৰু এই অঞ্চলত গ্ৰীষ্মকালত কিছু পৰিমাণে বৰষুণ হয় । বৰষুণৰ অভাৱ আৰু শীতৰ প্ৰকোপৰ বাবে এই অঞ্চলত গছ – গছনিৰ সংখ্যা নিচেই কম । জৈৱ পদাৰ্থৰ প্ৰাচুৰ্যতাৰ বাবে এই অঞ্চলৰ মাটি ভাগ সাৰুৱা ।

( ঝ ) শীতল সৰলবৰ্গীয় অৰণ্য অঞ্চলৰ জলবায়ু কিছু শুকান আৰু ঠাণ্ডা । এই অঞ্চলত গ্ৰীষ্মকালত উত্তাপ গড়ে ১৫° ছেলছিয়াচলৈ বৃদ্ধি পায় আৰু শীতকালত উষ্ণতা হ্ৰাস পাােৱাৰ ফলত বৰফ পৰে । এই অঞ্চলত গ্ৰীষ্মকালত কিছু পৰিমাণে বৰষুণ হয় আৰু শীতল তথা শুকান জলবায়ুৰ বাবে ইয়াত চিৰসেউজীয়া সৰলবৰ্গীয় অৰণ্য পাােৱা যায় ।

( ঞ ) শীতল মেৰু অঞ্চলৰ জলবায়ুৰ বৈশিষ্ট্য হৈছে অতিপাত ঠাণ্ডা জলবায়ু । এই অঞ্চলৰ গ্ৰীষ্মকাল চুটি আৰু শীতকাল দীঘলীয়া আৰু গ্ৰীষ্মকালত দিনৰ ভাগৰ উষ্ণতা ০-১০° ছেলছিয়াচৰ ভিতৰত থাকে আৰু শীতকালত উষ্ণতা –১৮° ছেলছিয়াচলৈ হ্ৰাস পায় । এই অঞ্চলত বৰষুণৰ পৰিমাণ অতি কম আৰু শীতকালত প্ৰচুৰ তুষাৰপাত হয় ।

( ট ) উচ্চ পৰ্বত্য অঞ্চলৰ প্ৰাকৃতিক পৰিৱেশ পৰ্বতৰ ঢাল ভেদে ভিন্ন হয় । অধিক উচ্চতাত থকা শৃংগবাােৰ উষ্ণতা কম হাােৱা বাবে সদায়ে বৰফেৰে ঢাক খাই থাকে । এই অঞ্চলত উচ্চতা আৰু ঢালৰ পৰিৱৰ্তনৰ বাবে অতি কম দূৰত্বৰ ভিতৰত বেলেগ বেলেগ জলবায়ু পৰিলক্ষিত হয় ।

**প্ৰশ্ন ৮। পৃথিৱীৰ বিভিন্ন প্ৰাকৃতিক অঞ্চলসমূহত বিৰাজ কৰা জলবায়ু আৰু উদ্ভিদ সম্পৰ্কে আলাােচনা কৰা ।**

**উত্তৰঃ** পৃথিৱীৰ বিভিন্ন প্ৰাকৃতিক অঞ্চলত বিৰাজ কৰা জলবায়ু আৰু উদ্ভিদ সম্পৰ্কে তলত আলাােচনা কৰা হ’ল –

( i ) নিৰক্ষীয় অঞ্চলৰ জলবায়ু উষ্ণ আৰু আৰ্দ্ৰ প্ৰকৃতিৰ । এই অঞ্চলটোত সূৰ্যৰ ৰশ্মি প্ৰায় লম্বভাৱে পৰে বাবে দিন – ৰাতি আৰু গ্ৰীষ্ম তথা শীতকালৰ উত্তাপৰ তাৰতম্য নিচেই কম হয় । সমগ্ৰ নিৰক্ষীয় অঞ্চলটো চিৰসেউজীয়া ডাঠ আৰণ্যৰে ভৰা আৰু তাত সৰু সৰু জোপা◌েহা বনৰ লগতে নানা ধৰণৰ লতাজাতীয় উদ্ভিদ পোৱা যায় ।

( ii ) মৌচুমী অঞ্চলত গ্ৰীষ্মকালৰ জলবায়ু উষ্ণ আৰু আৰ্দ্ৰ হয় আৰু শীতকালত ঠাণ্ডা আৰু শুকান হয় । অৰ্থাৎ ঋতু পৰিৱৰ্তন মৌচুমী অঞ্চলৰ জলবায়ুৰ প্ৰধান বৈশিষ্ট্য । এই অঞ্চলত গ্ৰীষ্মকাল আৰু শীতকালৰ মাত্ৰ উত্তাপৰ পাৰ্থক্য হৈছে ১৫° ছেলিছিয়াচ । মৌচুমী অঞ্চলত পৰ্ণপাতী উদ্ভিদ অধিক পৰিমাণে জন্মে । শীতকালত বৰষুণৰ অভাৱত গছ – গছনিবা◌েৰৰ পাত পৰে ।

( iii ) ক্ৰান্তীয় তৃণভূমি অঞ্চলৰ জলবায়ুৰ বৈশিষ্ট্য হৈছে উষ্ণ আৰু চুটি গ্ৰীষ্মকাল আৰু শুকান তথা দীঘল শীতকাল । ক্ৰান্তীয় অঞ্চলত দৈনিক আৰু ঋতুভেদে উষ্ণতাৰ তাৰতম্য অধিক হয় । এই অঞ্চলত ওখ ঘাঁহজাতীয় উদ্ভিদ জন্মে আৰু এনে ঘাঁহনি হাভানা ( Savannah ) বুলি জনা যায় ।

( iv ) ক্ৰান্তীয় উষ্ণ মৰু অঞ্চলৰ জলবায়ু সদায় উষ্ণ আৰু শুকান হয় । আৰু এনে অঞ্চলত দিন – ৰাতিৰ উত্তৰ তাৰতম্য অধিক হয় । এনে জলবায়ুত বৰষুণৰ অভাৱত কিছু অংশত চুটি ঘাঁহ আৰু কাঁইটীয়া উদ্ভিদ জন্মে । মৰুভূমিৰ কোনা◌ে অংশত খেজুৰ জাতীয় গছ জন্মে ।

( v ) ভূমধ্য সাগৰীয় অঞ্চলৰ জলবায়ু গ্ৰীষ্মকালত উষ্ণ আৰু শুকান হয় আৰু শীতকাল ঠাণ্ডা আৰু সেমেকা হয় । এই অঞ্চলটোৰ প্ৰধান উদ্ভিদ হৈছে চিৰসেউজীয়া চুটি গছ – গছনি আৰু জোপা◌েহা বননি ।

( vi ) মধ্য অক্ষাংশৰ মৰু অঞ্চলৰ জলবায়ু গ্ৰীষ্মকাল আৰু শীতকালত । বেলেগ বেলেগ হয় । গ্ৰীষ্মকাল আৰু শীতকালত উষ্ণতাৰ তাৰতম্য অধিক হয় । এই অঞ্চলত শীতকালি কিছু পৰিমাণে তুষাৰপাত হয় । এই অঞ্চলত গছ – গছনিৰ পৰিমাণ নিচেই কম আৰু বৰষুণৰ পৰিমাণ অতি কম হা◌েৱা বাবে ঘাঁহ জাতীয় উদ্ভিদ অতি কম পৰিমাণে হয় ।

( vii ) মধ্য অক্ষাংশৰ নাতিশীতা◌েষ্ণ অঞ্চলৰ জলবায়ু শীতল আৰু তাত জাৰ – জহৰ প্ৰকোপ কম । সমুদ্ৰৰ কাষৰীয়া ঠাইবা◌েৰৰ জলবায়ু সমভাবাপন্ন আৰু সাগৰৰ পৰা দূৰত্ব বঢ়াৰ লগে লগে বৃষ্টিপাতৰ পৰিমাণ হ্ৰাস পায় । এই অঞ্চলত শীতকাল অতি শুকান হয় । এই অঞ্চলৰ অধিকাংশ ঠাইতে পৰ্ণপাতী উদ্ভিদ জন্মে আৰু বেছি বৰষুণ হা◌েৱা ঠাইবা◌েৰত চিৰসেউজীয়া । উদ্ভিদৰ লগতে পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলত সৰলবৰ্গীয় উদ্ভিদ পা◌েৱা যায় ।

( viii ) মধ্য অক্ষাংশৰ তৃণভূমি অঞ্চলত গ্ৰীষ্ম আৰু শীতকালৰ মাজত উষ্ণতাৰ তাৰতম্য দেখা যায় । এই অঞ্চলৰ জলবায়ু অতি শীতল আৰু শীতৰ প্ৰকোপৰ বাবে ইয়াত গছ – গছনি প্ৰায় নথকাৰ নিচিনা । এই অঞ্চলত বিভিন্ন প্ৰকাৰৰ ঘাঁহনি দেখা যায় ।

( ix ) শীতল সৰলবৰ্গীয় অৰণ্য অঞ্চলৰ জলবায়ু কিছু পাৰিমাণে শুকান আৰু ঠাণ্ডা হয় । শীতকালত উষ্ণতা হ্ৰাস পাোৱাৰ ফলত বৰফ পৰা দেখা যায় আৰু গ্ৰীষ্মকালত কিছু পৰিমাণে বৰষুণ হয় । শীতল আৰু শুকান জলবায়ুৰ বাবে এই অঞ্চলত অধিক পৰিমাণে চিৰসেউজীয়া সৰলবগীয় অৰণ্য দেখা যায় ।

( x ) শীল মেৰু অঞ্চলৰ জলবায়ু অতিপাত ঠাণ্ডা আৰু এই অঞ্চলত গ্ৰীষ্মকাল চুটি আৰু শীতকাল দীঘলীয়া হয় । এই অঞ্চলত বৰষুণৰ পৰিমাণ অতি কম আৰু শীতকালত প্ৰচুৰ তুষাৰপাত হয় । শীতৰ প্ৰকোপৰ বাবে এই অঞ্চলত বিশেষ উদ্ভিদ জন্মিব নাোৱাৰে আৰু কোনাে কোনাে ঠাইত ঘাঁহ , শেলুৰৈ , ঢেকীয়া জাতীয় উদ্ভিদ জন্ম দেখা যায় ।

( xi ) উচ্চ পাৰ্বত্য অঞ্চল প্ৰায় সদায় বৰফেৰে ঢাক খাই থাকে আৰু ইয়াৰ জলবায়ু বতাহৰ দিশৰ ওপৰত নিৰ্ভৰ কৰি পৰিৱৰ্তন হয় । উচ্চতা আৰু ঢালৰ পৰিৱৰ্তনৰ বাবে এই অঞ্চলত ভিন্ন প্ৰকাৰৰ জলবায়ু আৰু প্ৰাকৃতিক উদ্ভিদ দেখা যায় । পৰ্বতৰ উচ্চ অংশত বৰষুণৰ অভাৱত গছ গছনি নজন্মে আৰু কোনাে অংশত মৌচুমী জলবায়ুৰ প্ৰভাৱত ডাঠ অৰণ্য দেখা যায় ।

**প্ৰশ্ন ৯। পৃথিৱীৰ বিভিন্ন প্ৰাকৃতিক অঞ্চলত বাস কৰা মানুহৰ জীৱন প্ৰণালীৰ এটি বৰ্ণনা দিয়া ।**

**উত্তৰঃ** পৃথিৱীৰ বিভিন্ন প্ৰাকৃতিক অঞ্চলত বসবাস কৰা মানুহৰ জীৱন প্ৰণালীৰ বিষয়ে তলত আলাোচনা কৰা হ’ল—

( ক ) নিৰক্ষীয় অঞ্চলত অতিপাত গৰম আৰু বৰষুণ হাোৱাৰ বাবে এই অঞ্চলৰ প্ৰাকৃতিক পৰিৱেশ মানুহৰ বসবাসৰ বিশেষ উপযাোগী নহয় । এনে অঞ্চলত মানুহৰ জীৱন নিৰ্বাহ অতি কষ্টকৰ আৰু জনবসতি তেনেই পাতল । এই অঞ্চলৰ লাোকসকলে চিকাৰ কৰি , মাছ ধৰি আৰু অৰণ্যৰ পৰা খাদ্য সংগ্ৰহ কৰি জীৱন নিৰ্বাহ কৰে । কোনাে কোনাে ঠাইত ঝুম খেতিৰ জৰিয়তে আলুজাতীয় শস্য আৰু কল উৎপাদন কৰে ।

মৌচুমী অঞ্চলৰ জনসাধাৰণৰ প্ৰধান বৃত্তি হৈছে কৃষি । নদী – উপত্যকা বাোৰৰ কৃষিভূমি সাৰুৱা হাোৱা বাবে কৃষি উৎপাদন যথেষ্ট বেছি আৰু এই অঞ্চল শস্য উৎপাদনৰ বাবে অধিক উপযাোগী । এই অঞ্চলত ধান , ঘেঁহু , কুঁহিয়াৰ , কপাহ , মৰাপাট , তৈলবীজ

আদিৰ খেতি কৰা হয় । কৃষি তথা বিজ্ঞান – প্ৰযুক্তিৰ বিকাশৰ লগে লগে এই অঞ্চলৰ অৰ্থনৈতিক উন্নতি হাােৱা দেখা গৈছে ।

ক্ৰান্তীয় তৃণভূমি অঞ্চল পশুপালনৰ বাবে অধিক উপযাােগী আৰু এই অঞ্চলৰ লাােকসকলে বাণিজ্যিক ভিত্তিত গৰু , ঘোঁৰা , মহ , ভেড়া আৰু ছাগলী পালন কৰে । এই অঞ্চলৰ বাসিন্দাসকলৰ প্ৰধান বৃত্তি হৈছে পশুপালন , চিকাৰ কৰা আৰু কম পৰিমাণে কৃষিকাৰ্য । কৃষিকাৰ্যৰ উপযুক্ত সা – সুবিধা নথকা বাবে এই অঞ্চলৰ জনবসতি সেৰেঙা ।

ক্ৰান্তীয় উষ্ণ মৰু অঞ্চলৰ বাসিন্দাসকলে প্ৰকৃতিৰ পৰা খাদ্য সংগ্ৰহ আৰু বনৰীয়া জীৱ – জন্তু চিকাৰ কৰি জীৱন নিৰ্বাহ কৰে । কোনাে কোনাে অঞ্চলত লাােকসকলে পশুপালন কৰিও জীৱন নিৰ্বাহ কৰে ।

ভূমধ্য সাগৰীয় অঞ্চলৰ লাােকসকলৰ জীৱিকাৰ প্ৰধান উৎস হৈছে কৃষি । এই অঞ্চলত শীতকালীন বৰষুণ আৰু জলসিঞ্চন ব্যৱস্থাৰ জৰিয়তে বিভিন্ন প্ৰকাৰৰ শস্য উৎপাদন হয় । এই অঞ্চলত প্ৰচুৰ পৰিমাণে ফল মূল উৎপাদন হয় আৰু ইয়াৰ ওপৰত ভিত্তি কৰি বহুতো উদ্যোগে গঢ় লৈ উঠিছে । এই অঞ্চলটো অৰ্থনৈতিক দিশত আগবঢ়া বাবে জনবসতি ঘন হাােৱা দেখা যায় ।

মধ্য অক্ষাংশীয় মৰু তঞ্চলৰ কিছু অংশত যাযাবৰ পশুপালক শ্ৰেণীৰ লাােকে বাস কৰে । এই অঞ্চলত কোনাে স্থায়ী বাসিন্দা নাই । সম্প্ৰতি জলসিঞ্চনৰ জৰিয়তে কোনাে কোনো ঠাইত কৃষিকাৰ্য কৰা হয় যদিও সি সন্তোষজনক নহয় ।

মধ্য অক্ষাংশৰ নাতিশীতাােষ্ণ অঞ্চলৰ লাােকসকলে প্ৰধানকৈ কৃকাৰ্যৰ জৰিয়তে জীৱন নিৰ্বাহ কৰে । এই অঞ্চলত গহন খেতি ( intensive cultivation ) আৰু বিস্তৃত খেতি ( extensive cultivation ) কৰা হয় । অঞ্চলটোত কৃষিকাৰ্যৰ লগতে বাণিজ্যিক ভিত্তিত পশুপালনো কৰা হয় । অঞ্চলটো ঘন জনবসতিপূৰ্ণ ।

মধ্য অক্ষাংশৰ তৃণভূমি অঞ্চলৰ অধিবাসীসকলে প্ৰধানকৈ পশুপালনৰ জৰিয়তে জীৱন নিৰ্বাহ কৰে । এই অঞ্চলৰ লাােকসকলৰ অধিকাংশ অঘৰী আদিবাসী । সম্প্ৰতি এই অঞ্চলত বিস্তৃতভাৱে কৃষি উৎপাদন কৰা হয় । আৰু পশুপালনৰ ওপৰত ভিত্তি কৰি দুগ্ধ শিল্প গঢ়াৰ লগতে ভেড়াৰ নাােমৰ পৰা উণ উৎপাদন কৰা হয় । এই অঞ্চলৰ জনবসতি বৰ সেৰেঙা ।

শীতল সৰলবৰ্গীয় অঞ্চলৰ লাােকসকলে জন্তু চিকাৰ আৰু অৰণ্যৰ কাঠ সংগ্ৰহ কৰিয়েই জীবন নিৰ্বাহ কৰে । সম্প্ৰতি এই অঞ্চলত কিছু পৰিমাণে খনিজ দ্ৰব্য আবিষ্কাৰ হাােৱা

বাবে বহুতাে শিল্প কেন্দ্ৰ গঢ়ি উঠিছে আৰু লাোকসকলে কম – বেছি পৰিমাণে কৃষিকাৰ্যৰ লগতে ভেড়া পালন কৰিবলৈ লৈছে ।

শীতল মেৰু অঞ্চলৰ লাোকসকলৰ জীৱন নিৰ্বাহ পদ্ধতি অতি কষ্টকৰ । এই অঞ্চলৰ লাোকসকলে অঘৰী জীৱন যাপন কৰে আৰু জীৱ – জন্তু চিকাৰৰ লগতে সাগৰৰ পৰা মাছ সংগ্ৰহ কৰি পেট প্ৰৱৰ্তায় । অঞ্চলটো অতি শীতল হাোৱা বাবে জনবসতি অতি সেৰেঙা ।

উচ্চ পাৰ্বত্য অঞ্চলৰ লাোকসকলৰ জীৱন ধাৰণ প্ৰণালী অতি কষ্টকৰ । এই অঞ্চলৰ মানুহৰ প্ৰধান বৃত্তি হৈছে কাঠৰ ব্যৱসায় আৰু পশুপালন । পাৰ্বত্য অঞ্চলৰ বাসিন্দাসকলে ঝুম পদ্ধতিৰে কৃষিকাৰ্য কৰে । পাৰ্বত্য অঞ্চলৰ জনবসতি অতিকৈ পাতল ।

**প্ৰশ্ন ১০। পৃথিৱীত মহাদেশ কেইখন আৰু কি কি ? প্ৰতিখন মহাদেশৰে এটি চমু ভৌগাোলিক পৰিচয় দাঙি ধৰা ।**

**উত্তৰঃ** পৃথিৱীৰ মহাদেশ সাতখন । সেইবাোৰ হৈছে–

( i ) এচিয়া মহাদেশ ।

( ii ) আফ্ৰিকা মহাদেশ ।

( iii ) ইউৰাোপ মহাদেশ ।

( iv ) উত্তৰ আমেৰিকা মহাদেশ ।

( v ) দক্ষিণ আমেৰিকা মহাদেশ ।

( vi ) ওচেনিয়া মহাদেশ ।

( vii ) এন্টাৰ্কটিকা মহাদেশ ।

তলত প্ৰতিখন মহাদেশৰে চমু ভৌগাোলিক পৰিচয় দিয়া হ'ল—

( ক ) এচিয়া মহাদেশখন উত্তৰ গাোলাৰ্ধত অৱস্থিত । মহাদেশখন দক্ষিণে ১ উত্তৰ অক্ষাংশৰ পৰা উত্তৰে ৭৮° উত্তৰ অক্ষাংশলৈ আৰু পূৱে ২৫° পূৱ দ্ৰাঘিমাংশৰ পৰা ১৭০°

পশ্চিম দ্ৰাঘিমাংশলৈ বিস্তৃত । এচিয়া মহাদেশখন উত্তৰ – দক্ষিণাকৈ প্ৰায় ৮৪০০ কিল'মিটাৰ আৰু পূৱা – পশ্চিমাকৈ প্ৰায় ৯৬০০ কিলমিটাৰ বিস্তৃত । মহাদেশখনৰ উপকূলৰ দৈৰ্ঘ্য প্ৰায় ৫৮,০০০ কিল'মিটাৰ । এশিয়া মহাদেশৰ উত্তৰে আছে উত্তৰ মহাসাগৰ , পূৱ দিশত আছে বেৰিং প্ৰণালী আৰু প্ৰশান্ত মহাসাগৰ , দক্ষিণ দিশত আছে ভাৰত মহাসাগৰ আৰু পশ্চিম দিশত আছে লাোহিত সাগৰ , ছুৱেজ খাল , ভূমধ্যসাগৰ , ককেছাছ পৰ্বত , কাস্পিয়ান সাগৰ, ইউৰাল নদী আৰু ইউৰাল পৰ্বতমালা ।

( খ ) আফ্ৰিকা মহাদেশখন উত্তৰে ৩৭° উত্তৰ অক্ষাংশৰ পৰা দক্ষিণে ৩৪ দক্ষিণ অক্ষাংশ আৰু পূৱে ৫১° পূৰ্ব দ্ৰাঘিমাংশৰ পৰা পশ্চিমে ১৭° পশ্চিম দ্ৰাঘিমাংশৰ মাজত অৱস্থিত । আফ্ৰিকা মহাদেশৰ উত্তৰে আছে ভূমধ্যসাগৰ , দক্ষিণে দক্ষিণ মহাসাগৰ , পূৱ দিশত আছে ভাৰত মহাসাগৰ আৰু পশ্চিম দিশত আছে আটলান্টিক মহাসাগৰ । মহাদেশখনৰ উপকূল ৰেখা প্ৰায় ৩০ হাজাৰ কিল'মিটাৰ দীঘল আৰু মহাদেশখনৰ অধিকাংশই বৃহৎ মালভূমি ।

( গ ) ইউৰাোপ মহাদেশখন উত্তৰ গাোলাৰ্ধত অৱস্থিত । মহাদেশখন দক্ষিণে ৩৬° উত্তৰ অক্ষাংশৰ পৰা উত্তৰে ৭১° উত্তৰ অক্ষাংশলৈ আৰু পশ্চিমে ১০° পশ্চিম দ্ৰাঘিমাংশৰ পৰা পূৱে ৬৫° পূৰ্ব দ্ৰাঘিমাংশলৈ বিস্তৃত । মহাদেশখনৰ মাটিকালি ১০.৯ নিযুত বৰ্গ কিল'মিটাৰ । ইউৰাোপ মহাদেশৰ পূৱ দিশত আছে এচিয়া মহাদেশ , পশ্চিমে আটলান্টিক মহাসাগৰ , উত্তৰে উত্তৰ মহাসাগৰ আৰু দক্ষিণে ভূমধ্যসাগৰ , কাস্পিয়ান সাগৰ আৰু কৃষ্ণসাগৰ আছে । মহাদেশখনৰ মূল ভূখণ্ডৰ উপকূলৰ দৈৰ্ঘ্য ৩৮ হাজাৰ কিল'মিটাৰ ।

( ঘ ) উত্তৰ আমেৰিকা মহাদেশখন উত্তৰ গাোলাৰ্ধত অৱস্থিত আৰু ইয়াৰ মুঠ মাটিকালি ২৪.৩ নিযুত বৰ্গ কিল'মিটাৰ । মহাদেশখন দক্ষিণে ২° উত্তৰ অক্ষাংশৰ পৰা উত্তৰে ৮৩° উত্তৰ অক্ষাংশলৈ আৰু পূৱে ৫০° পশ্চিম দ্ৰাঘিমাংশৰ পৰা পশ্চিমে ১৬৮° পশ্চিম দ্ৰাঘিমাংশলৈ বিস্তৃত । উত্তৰ আমেৰিকা মহাদেশখন পূৰ্ব – পশ্চিমাকৈ ৪৯০০ কিল'মিটাৰ আৰু উত্তৰা- দক্ষিণাকৈ ৯৬০০ কিলমিটাৰ দীঘল । মহাদেশখনৰ উত্তৰে উত্তৰ মহাসাগৰ , দক্ষিণে দক্ষিণ আমেৰিকা , মেক্সিকো উপসাগৰ আৰু প্ৰশান্ত মহাসাগৰ , পূৱে আটলান্টিক মহাসাগৰ আৰু পশ্চিমে আছে বেৰিং সাগৰ, বেৰিং প্ৰণালী আৰু প্ৰশান্ত মহাসাগৰ ।

( ঙ ) দক্ষিণ আমেৰিকা মহাদেশখন উত্তৰে ১২° উত্তৰ অক্ষাংশৰ পৰা দক্ষিণে ৫৫° দক্ষিণ অক্ষাংশ আৰু পূৱে ৩৫° পশ্চিম দ্ৰাঘিমাংশৰ পৰা পশ্চিমে ৮১° পশ্চিম দ্ৰাঘিমাংশৰ মাজত অৱস্থিত । মহাদেশখনৰ উত্তৰ অংশ অতি বহল আৰু দক্ষিণ অংশ বৰ ঠেক । মহাদেশখনৰ মুঠ মাটিকালি ১৮ নিযুত বৰ্গ কিল'মিটাৰ । মহাদেশখন উত্তৰা – দক্ষিণাকে প্ৰায় ৭৫০০ কিল'মিটাৰ আৰু পূৱা – পশ্চিমাকৈ প্ৰায় ৫১০০ কিল'মিটাৰ দীঘল । মহাদেশখনৰ উত্তৰে আছে উত্তৰ আমেৰিকা , কেৰিবিয়ান সাগৰ আৰু আটলান্টিক

মহাসাগৰ ; দক্ষিণে আছে দক্ষিণ মহাসাগৰ , পশ্চিমে প্ৰশান্ত মহাসাগৰ আৰু পূৰে আছে আটলান্টিক মহাসাগৰ ।

( চ ) ওচেনিয়া মহাদেশখন , এচিয়া মহাদেশৰ দক্ষিণে পৃথিৱীৰ দক্ষিণ গা োলাৰ্ধত অৱস্থিত । মহাদেশখন উত্তৰে ০° নিৰক্ষীয় ৰেখাৰপৰা দক্ষিণে ৪৮° দক্ষিণ অক্ষাংশলৈ আৰু পশ্চিমে ১১৩° পূৰ্ব দ্ৰাঘিমাংশৰ পৰা পূৰ্বে প্ৰায় ১৮০° দ্ৰাঘিমাংশলৈ বিস্তৃত । ওচেনিয়া মহাদেশখনৰ মুঠ মাটিকালি প্ৰায় ৯. নিযুত বৰ্গ কিল'মিটাৰ । মহাদেশখনৰ উত্তৰে আছে দক্ষিণ – পূৱ এচিয়াৰ জাভা – সুমাত্ৰা – ছেলেবিচ দ্বীপসমূহৰ লগতে প্ৰশান্ত মহাসাগৰ , দক্ষিণে আছে দক্ষিণ মহাসাগৰ আৰু এন্টাৰ্কটিকা , পূৱ দিশত আছে প্ৰশান্ত মহাসাগৰ আৰু পশ্চিম দিশত ভাৰত মহাসাগৰ আছে ।

**প্ৰশ্ন ১১। পৃথিৱীৰ সৰ্বোচ্চ জনসংখ্যাৰ মহাদেশ কোনখন ? সেই মহাদেশখনৰ জনসংখ্যা আৰু অৰ্থনৈতিক বৈশিষ্ট্যৰ বিষয়ে চমুকৈ লিখা ।**

**উত্তৰঃ** পৃথিৱীৰ সৰ্বোচ্চ জনসংখ্যাৰ মহাদেশখন হৈছে এচিয়া মহাদেশ । ২০০৭ বৰ্ষৰ এক তথ্যমতে এচিয়া মহাদেশৰ জনসংখ্যা ৪০১ কোটি , অৰ্থাৎ বিশ্বৰ মুঠ জনসংখ্যাৰ তিনি – পঞ্চমাংশ এচিয়া মহাদেশত কাছে ।

ভূ – প্ৰাকৃতিক বিভিন্নতাৰ বাবে এচিয়া মহাদেশৰ জনসংখ্যাৰ বিতৰণ সমান নহয় । মহাদেশখনৰ চাৰি ভাগৰ তিনি অংশ জনসংখ্যা দক্ষিণ , দক্ষিণ – পূৱ আৰু পূৱৰ ক্ৰান্তীয় আৰু উপক্ৰান্তীয় মৌচুমী অঞ্চলত বসবাস কৰে । মহাদেশখনৰ ৪১ শতাংশ লা োক নগৰত বাস কৰে । এচিয়া মহাদেশৰ মুঠ জনসংখ্যাৰ ৬১ শতাংশ লা োক ভাৰতবৰ্ষ আৰু চীন দেশত বসবাস কৰে ।

এচিয়া মহাদেশ প্ৰাকৃতিক সম্পদত চহকী আৰু সেয়ে মহাদেশখনৰ অৰ্থনীতি কৃষিৰ ওপৰত নিৰ্ভৰশীল । এচিয়া মহাদেশৰ প্ৰাকৃতিক সম্পদৰ ভিতৰত বনজ সম্পদ , খনিজ সম্পদ আৰু কৃষিজ সম্পদেই প্ৰাধন । এচিয়া মহাদেশত উৎপন্ন হা োৱা প্ৰধান শস্যসমূহ হৈছে— ধান , ঘেঁহু , কঁহিয়াৰ , ধপাত , কপাহ , চাহ , ৰবৰ , কফি ইত্যাদি । খনিজ সম্পদৰ ভিতৰত পেট্ৰ'লিয়াম , কয়লা , প্ৰাকৃতিক গেছ , লা ো , মেংগানিজ আদি উল্লেখযা োগ্য । সম্প্ৰতি বনজ আৰু খনিজ সম্পদৰ ওপৰত ভিত্তি কৰি এচিয়া মহাদেশৰ কেইবাখানা ো দেশে শিল্পদ্যোগত অগ্ৰগতি লাভ কৰিছে আৰু উদ্যোগ উৎপাদিত সামগ্ৰীৰে বজাৰ ভৰি পৰিছে । উদ্যোগৰ পৰিমাণ বৃদ্ধি পা োৱাৰ লগে লগে নগৰৰ সংখ্যা বৃদ্ধি পাইছে আৰু জনসাধাৰণক নগৰমুখী কৰি তুলিছে ।

**প্ৰশ্ন ১১। পৃথিৱীৰ বৃহত্তম মহাদেশ কোনখন ? এই মহাদেশখনৰ ভূ – প্ৰকৃতিৰ বিষয়ে চমুকৈ লিখা ।**

**উত্তৰঃ** পৃথিৱীৰ বৃহত্তম মহাদেশখন হৈছে এচিয়া মহাদেশ । মহাদেশখনৰ মাটিকালি ৪৪.৪ নিযুত বৰ্গ কিল'মিটাৰ । মহাদেশখন পৃথিৱীৰ স্থলভাগৰ প্ৰায় ৩০ শতাংশ আৱৰি আছে ।

এচিয়া মহাদেশখন সুউচ্চ পৰ্বতশ্ৰেণী , মালভূমি , নদী – উপত্যকা , নিম্নভূমি , উপকূলীয় সমভূমি , দ্বীপ , মৰুভূমি আদিয়ে আৱৰি আছে । মহাদেশখনৰ মধ্য অংশ পৰ্বত আৰু মালভূমিৰে ভৰা । মহাদেশখনৰ পশ্চিম সীমাত উত্তৰা – দক্ষিণাকৈ থকা ইউৰাল পৰ্বতমালা , মধ্যাংশত হিমালয় পৰ্বতমালা , কাকোৰাম পৰ্বতমালা , আৰাৱলী পৰ্বতমালা আদি বিশেষ উল্লেখযাে‌গ্য । মহাদেশখনৰ প্ৰধান মালভূমিসমূহ হৈছে — তিব্বত মালভূমি , পৃথিবীৰ উচ্চতম পামিৰ মালভূমি , ছাইবেৰিয়া মালভূমি , মংগাে‌লীয়া মালভূমি , ইৰাণ মালভূমি , দাক্ষিণাত্য মালভূমি আদি ।

এচিয়া মহাদেশৰ প্ৰধান সমভূমিসমূহ হৈছে — সিন্ধু নদীৰ সমভূমি , গংগা আৰু ব্ৰহ্মপুত্ৰ নদীৰ সমভূমি অঞ্চল , ওব , ইয়েনিছি আৰু লেনা নদীৰ সমভূমি অঞ্চল , আমু , হাে‌ৱাংহ , ইয়াং চিকিয়াং আৰু মেকং নদীৰ সমভূমি অঞ্চল আৰু মহানদী , গাে‌দাবৰী , কৃষ্ণা , কাবেৰী , মেনাম , ইৰাবতী , মেকং আদি নৈৰ সমভূমি অঞ্চল । এচিয়া মহাদেশৰ প্ৰধান দ্বীপসমূহ হৈছে –জাপান , টাইন , ফিলিপাইন , জাভা , চুমাত্ৰা , বৰ্ণিও , ছিলিবিছ , আন্দামান নিকোবৰ , শ্ৰীলংকা , লক্ষদ্বীপ , মালদ্বীপ, বাহৰেইন আদি । এচিয়া মহাদেশত ভিন্ন প্ৰকাৰৰ জলবায়ু অনুভূত হয় । মহাদেশখনত বিৰাজ কৰা জলবায়ুৰ প্ৰকাৰসমূহ হৈছে — নৈৰক্ষিক জলবায়ু , ক্ৰান্তীয় মৌচুমী জলবায়ু , ক্ৰান্তীয় মৰু জলবায়ু , নাতিশীতাে‌ষ্ণ জলবায়ু আৰু মেৰুদেশীয় জলবায়ু । এনেদৰে এচিয়া মহাদেশখনত ভূ – প্ৰকৃতিৰ ভিন্নতা পৰিলক্ষিত হয় ।

## প্ৰশ্ন ১৩। ইউৰাে‌প মহাদেশৰ ভৌগাে‌লিক বৈশিষ্ট্যসমূহ উল্লেখ কৰা ।

**উত্তৰঃ** ইউৰাে‌প মহাদেশখন এচিয়াৰ উত্তৰ – পশ্চিম সীমাত অৱস্থিত আৰু মহাদেশখনৰ মাটিকালি ১০.৯ নিযুত বৰ্গ কিলমিটাৰ । মহাদেশখনৰ তিনিটা ফাল সাগৰ – মহাসাগৰে আৱৰি আছে ।

ইউৰাে‌প মহাদেশৰ ভূ – প্ৰাকৃতিক গঠন অতি বৈচিত্ৰ্যময় আৰু ইয়াক ভূ- প্ৰকৃতিৰ ক্ষেত্ৰত দুভাগত ভগাব পাৰি । মহাদেশখনৰ উত্তৰ অংশটো পশ্চিমৰ ফ্ৰান্স উপকূলৰ পৰা পূৱত ইউৰাল পৰ্বত শ্ৰেণীলৈকে প্ৰায় সমতল ভূমি , আৰু দক্ষিণ অংশটো মালভূমি , পৰ্বত – পাহাৰেৰে পৰিপূৰ্ণ । ইউৰাে‌প মহাদেশৰ দক্ষিণাংশত থকা উল্লেখযাে‌গ্য পৰ্বত শ্ৰেণী হৈছে— আল্প , পাইৰেনিজ , কাৰ্পেথিয়ান আৰু ককেচাচ । মহাদেশখনৰ উল্লেখনীয় নদ-নদী সমূহ হৈছে — এলব্ৰো , ৰাে‌ন আৰু ছেইন , ৰাইন , এম্বে , ওডাৰ , ভিষ্টুলা , ডানিয়ুব , বেলাৰুচ , নিপা , পাে‌ , থেম , ডন , ভল্গা আদি । ইউৰাে‌প

মহাদেশৰ অধিকাংশ ঠাই নাতিশীতাোষ্ণ জলবায়ুৰ অন্তৰ্গত । মহাদেশখনৰ গড় উষ্ণতা শীতকালত ০° ছেলছিয়াচৰ পৰা গ্ৰীষ্মকালি ২০° ছেলছিয়াচৰ ভিতৰত থাকে । মহাদেশখনৰ বাৰ্ষিক গড় বৰষুণ প্ৰায় ১০০ ছে.মি .। ইউৰোপ মহাদেশৰ উত্তৰ প্ৰান্তত মেৰুদেশীয় জলবায়ু আৰু পূৱ অংশত শীতকালত যথেষ্ট হিমপাত হয় ।

আকৌ মহাদেশখনৰ দক্ষিণ প্ৰান্তৰ ভূমধ্যসাগৰীয় অঞ্চলত গ্ৰীষ্মকাল উষ্ণ আৰু শুকান হয় আৰু শীতকাল ঠাণ্ডা আৰু আদ্ৰ হয় । মহাদেশখনৰ ভূ – অৱয়ব , মৃত্তিকা আৰু জলবায়ু কৃষিৰ বাবে অধিক উপযোগী হোৱা বাবে প্ৰায় ৫০ শতাংশ মাটিত কৃষিকাৰ্য কৰা হয় । মহাদেশখনৰ উত্তৰাংশত অৱস্থিত ঠাইসমূহত মেৰুদেশীয় জলবায়ু বিৰাজ কৰে আৰু এই অঞ্চলত বাৰ্লি , ৰাই , ঘাঁহ আদি উৎপাদিত হয় ।

**প্ৰশ্ন ১৪। উত্তৰ আমেৰিকা মহাদেশৰ ভূ – প্ৰকৃতি আৰু খনিজ সম্পদৰ বিষয়ে চমুকৈ লিখা ।**

**উত্তৰঃ** উত্তৰ আমেৰিকা মহাদেশখন উত্তৰ গোলাৰ্ধত অৱস্থিত আৰু ইয়াৰ মাটিকালি ২৪.৩ নিযুত বৰ্গ কিল’মিটাৰ। মহাদেশখন শীতল উত্তৰ মেৰু – অঞ্চলৰ পৰা বিষুৱীয় উষ্ণ অঞ্চললৈকে বিস্তৃত ।

উত্তৰ আমেৰিকা মহাদেশখন ভূ – প্ৰাকৃতিক বৈষম্যৰে পৰিপূৰ্ণ । মহাদেশখনৰ পশ্চিম অংশ আৰু পূৱ অংশ উত্তৰ – দক্ষিণাকৈ পৰ্বত পাহাৰে ভৰি আছে আৰু বাকী অংশ উচ্চ আৰু নিম্ন সমতল ভূমিৰে আৱৰা । মহাদেশখনক প্ৰধানকৈ চাৰিটা ভূ – প্ৰকৃতিক ভাগত বিভক্ত কৰা হয় । সেয়া হৈছে—

( ক ) ৰকি পাৰ্বত্য অঞ্চল ।

( খ ) বিশাল উচ্চ সমভূমি অঞ্চল ।

( গ ) আপেলেছিয়ান উচ্চভূমি অঞ্চল । আৰু

( ঘ ) উপকূলীয় সমতল ভূমি অঞ্চল ।

মহাদেশখনৰ ৰকি বাপত্য অঞ্চলটো ব্ৰুক্স ৰেঞ্জ , আলস্ক , পৰ্বতশ্ৰেণী , মেকেঞ্জি , কষ্টৰেঞ্জ , কাস্কেড তাদি বহুতো পৰ্বত শ্ৰেণীৰ সমষ্টি । মহাদেশখনৰ পূৱ অংশত বিস্তৃত পৰ্বত – পাহাৰ , ঠেক উপত্যকা , ভগ্ন মালভূমি আদি আছে আৰু বকি পৰ্বতমালাৰ পূৱে বিস্তৃত ক্ষয়জাত মালভূমি আৰু পলসুৱা সমভূমি অঞ্চল আছে । মহাদেশখনৰ আপেলেচিয়ান উচ্চভূমিৰ পূৱে আৰু উত্তৰে এক বিস্তৃত উপকূলীয়

সমতল অঞ্চল আছে। মহাদেশখনত কেইবাখনাে বিশাল নদীৰ মাােহনাৰ লগতে বহুতাে জলাহভূমি আৰু অৰণ্য আছে আৰু মহাদেশখনৰ উত্তৰ আৰু দক্ষিণ – পূৱ অংশত অসংখ্য সৰু – বৰ দ্বীপ আছে। উত্তৰ আমেৰিকা মহাদেশখনত বহুতাে উল্লেখযোগ্য  নদ-নদী আৰু হ্ৰদ আছে। জলবায়ুৰ ফালৰপৰা মহাদেশখনৰ দক্ষিণ অংশত উষ্ণ আৰু সেমেকা নৈৰক্ষিক তথা ক্ৰান্তীয় জলবায়ু বিৰাজ কৰে আৰু উত্তৰ অংশত শীতল মেৰুদেশীয় জলবায়ু বিৰাজ কৰে।

উত্তৰ আমেৰিকা মহাদেশখন খনিজ সম্পদ আৰু অৰ্থনৈতিক উন্নয়ন অধিক উন্নত। মহাদেশখনৰ উপকূলীয় সমভূমি অঞ্চলটোত অধিক পৰিমাণে খনিজ তেল, প্ৰাকৃতিক গেছ, লৱণ আদি পাােৱা যায়। মহাদেশখনত লো, নিকেল, ক'বাল্ট, মাইকা আদি খনিজ সম্পদ পাােৱাৰ লগতে কানাডা, যুক্তৰাষ্ট্ৰ আৰু মেক্সিকোত প্ৰচুৰ পৰিমাণে কয়লা, পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ উৎপাদন হয়। খনিজ সম্পদৰ প্ৰাচুৰ্যতাৰ ওপৰৰ ভিত্তি কৰি বহুতাে উদ্যোগ গঢ়ি উঠিছে আৰু মহাদেশখনৰ কানাডা দেশখনে এই ক্ষেত্ৰত জলবিদ্যুৎ শক্তি উৎপাদনত যথেষ্ট অগ্ৰগতি লাভ কৰিছে।

**প্ৰশ্ন ১৫। দক্ষিণ আমেৰিকা মহাদেশৰ নদ – নদী আৰু উদ্ভিদৰ বিষয়ে চমুকৈ লিখা।**

উত্তৰ। দক্ষিণ আমেৰিকা মহাদেশখন উত্তৰ আমেৰিকাৰ দক্ষিণ দিশত অৱস্থিত। দক্ষিণ আমেৰিকা মহাদেশত থকা নদ – নদীসমূহ হৈছে অৰিনিক ', আমাজান, পাৰাণা, পাৰাগুৱে আৰু উৰুৱে নদী। দক্ষিণ আমেৰিকা মহাদেশত ভিন্ন প্ৰকাৰৰ উদ্ভিদ পাােৱা যায়। মহাদেশখনৰ সমভূমিৰ উত্তৰাংশৰ অৰিনিক ' অৱবাহিকাত লানাােজ নামৰ ঘাঁহনি আছে, মধ্যাংশৰ নৈৰক্ষিক জলবায়ুৰ অন্তৰ্গত আমাজান নদীৰ অৱবাহিকাত ছেলভা নামৰ অটব্য অৰণ্য আছে। মহাদেশখনৰ দক্ষিণৰ পাৰাগুৱে – পাৰণা আৰু গাােদাবৰী, কৃষ্ণা, কাবেৰী, মেনাম, ইৰাবতী আদি।

আফ্ৰিকা মহাদেশৰ নীল নদী, কংগাে ( জায়ৰে ), নাইজাৰ, জেম্বেজি, অ'ৰেঞ্জ, লিম্পাােপপা, ভাােল্টা, চেনেগাল।

ইউৰোপ মহাদেশৰ – এলব্ৰু, ৰোন, ছেইন, ৰাইন, এলে, ওডাৰ, ভিষ্টলা, ডানিয়ুব, বেলাৰুচ, নিপাৰ, পাে, থেমচু, ডন, ভল্লা আৰু ইউৰাল।

উত্তৰ আমেৰিকা মহাদেশৰ — মিছৌৰি, মিছিছিপি, যুকুম, মেকেঞ্জি, ৰিওগেণ্ডে, ৰেড, আৰকানচাচ, কোলেৰাডাে, কোলাম্বিয়া, স্নেক, ওহিঅ ', টেনেছি, হাডচন, চেন্ট লৰেন্স।

দক্ষিণ আমেৰিকাৰ — অনিক , আমাজান , পাৰাণা , পাবাগুৱে , উৰুগুৱে ।




গােদাবৰী , কৃষ্ণা ,কাবেৰী , মেনাম , ইৰাবতী আদি । আফ্ৰিকা মহাদেশৰ –নীল নদী , কংগাে ( জায়ৰে ) , নাইজাৰ , জেম্বেজি , অ'ৰেঞ্জ, লিম্পেপাে , ভােল্টা , চেনেগাল । ইউৰােপ মহাদেশৰ – এলব্ৰু , ৰোন , ছেইন , ৰাইন , এম্বে , ওডাৰ , ভিলা , ডানিয়ুব , বেলাৰুচ , নিপাৰ , পাে , থেমচ , ডন , ভল্লা আৰু ইউৰাল ।

উত্তৰ আমেৰিকা মহাদেশৰ — মিছৌৰি , মিছিছিপি , য়ুকুম , মেকেঞ্জি , ৰিওগেণ্ডে , ৰেড় , আৰকানচাছ , কোলেডাে , কোলাম্বিয়া , স্নেক , ওহিঅ ' , টেনেছি , হাডচন , চেন্ট লৰেন্স ।

দক্ষিণ আমেৰিকাৰ অৰিনিক , আমাজান , পাৰাণা , পাৰাগুৱে , উৰুগুৱে ।

ওচেনিয়া মহাদেশৰ মুৰে , ডালিং , বেলিয়াণ্ডো , ফিট্ৰঞ্জৰয় , ফ্লিণ্ডাৰ্ছ , ভিক্টোৰিয়া , ছােৰান আদি ।




**প্ৰশ্ন ১৭। আফ্ৰিকা মহাদেশ জলবায়ু আৰু জীৱন নিৰ্বাহ প্ৰণালী বিষয়ে চমুকৈ লিখা ।**

**উত্তৰঃ** আফ্ৰিকা মহাদেশৰ অধিকাংশ ঠাই প্ৰধানকৈ ক্ৰান্তীয় জলবায়ু অন্তৰ্গত । মহাদেশখনৰ কেৱল উত্তৰ আৰু দক্ষিণ প্ৰান্তত উপক্ৰান্তীয় আৰু নাতিশীতাে ষ্ণ জলবায়ু বিৰাজ কৰে । আফ্ৰিকা মহাদেশৰ বিযুৱীয় অঞ্চলৰ সমতল ভূমি আৰু উপকূল ভূমিত বৰষুণৰ পৰিমাণ অধিক । আনহাতে মহাদেশখনৰ মৰুভূমি অঞ্চল চাহাব , কালাহাৰী আৰু নামিৰিয়া আদিত বাৰ্ষিক বৃষ্টিপাতৰ পৰিমাণ অতি কম্ ।

আফ্ৰিকা মহাদেশৰ লাে কসকল অধিকাংশই কৃষি নিৰ্ভৰশীল । নহাদেশখনৰ প্ৰায় ৭০ শতাংশ লাে ক কৃষিকাত নিয়াে জিত থাকে আৰু ইয়াৰ মুঠ বিদেশী আয়ৰ এক – তৃতীয়াংশ কৃষিৰ পৰা আহে । মহাদেশখনৰ মূল কৃষিজাত সামগ্ৰীসমূহ হৈছে মাকৈ , জোৱাৰ , বাজৰা , ধান , মিঠাআলু , বাদাম , কফি , চাহ , কপাহ , কুঁহিয়াৰ আদি । আফ্ৰিকাৰ নদী – উপত্যকা অঞ্চলসমূহ ঘন জনবসতিপূৰ্ণ । নদী – উপত্যকাৰ পলসুৱা সাৰুৱা মাটিত কৃষিকাৰ্যৰ জৰিয়তে এই লাে কসকলে জীৱন নিৰ্বাহ কৰে । আনহাতে মহাদেশখনৰ মৰুভূমি অঞ্চলৰ জনবসতি অতি সেৰেঙা । কৃষি তথা শিল্পোদ্যোগৰ সুবিধা নথকা আৰু বসবাসৰ অনুপযাে গী বাবে মৰুভূমি অঞ্চলৰ বাসিন্দা নিচেই কম । মৰুভূমি অঞ্চলত বসবাস কৰা জনসাধাৰণৰ জীৱন নিৰ্বাহ প্ৰণালী অতি কষ্টকৰ ।

**প্ৰশ্ন ১৮। পৃথিৱীৰ আটাইতকৈ সৰু মহাদেশ কোনখন ? সেই মহাদেশখনৰ ভৌগাোলিক অৱস্থিতি সম্পৰ্কে দু-ষাৰ লিখা ।**

**উত্তৰঃ** পৃথিৱীৰ আটাইতকৈ সৰু মহাদেশখন হৈছে ওচেনিয়া মহাদেশ । এই মহাদেশখন এচিয়া মহাদেশৰ দক্ষিণ ফালে সম্পূৰ্ণভাৱে পৃথিৱীৰ দক্ষিণ গাোলাৰ্ধত অৱস্থিত । মহাদেশখন উত্তৰে ০° নিৰক্ষীয় ৰেখাৰ পৰা দক্ষিণে ৪৮° দক্ষিণ অক্ষাংশলৈ আৰু পশ্চিমে ১১৩° পূৱ দ্ৰাঘিমাংশৰ পৰা পূৱে প্ৰায় ১৮০° দ্ৰাঘিমাংশলৈ বিস্তৃত । মহাদেশখনৰ বৃহত্তম দেশ হৈছে অষ্ট্ৰেলিয়া । অষ্ট্ৰেলিয়াকে ধৰি নিউজিলেণ্ড , টাছমেনিয়া , নিউগিনি আৰু অন্যান্য সৰু – বৰ দ্বীপসমূহক সামৰি মহাদেশখনৰ মুঠ মাটিকালি হৈছে ৯ নিযুত বৰ্গ কিল’মিটাৰ । মহাদেশখনৰ উত্তৰে আছে দক্ষিণ – পূৰ্ব এচিয়াৰ জাভা – সুমাত্ৰা – ছেলেবিছ দ্বীপসমূহ আৰু প্ৰশান্ত মহাসাগৰ , দক্ষিণে আছে দক্ষিণ মহাসাগৰ আৰু এন্টাৰ্কটিকা , পূৱ দিশত আছে প্ৰশান্ত মহাসাগৰ আৰু পশ্চিম দিশত আছে ভাৰত মহাসাগৰ । অৰ্থাৎ ওচেনিয়া মহাদেশৰ মূল ভূ – খণ্ড অষ্ট্ৰেলিয়া । এটা প্ৰাচীন মালভূমি আৰু ইয়াৰ মাজভাগৰ পৰা পশ্চিম ফালে এক বিস্তৃত মৰুভূমি অঞ্চল আছে ।

**প্ৰশ্ন ১৯। চমুটোকা লিখা :**

( ক ) পৃথিৱীৰ প্ৰধান ঘাঁহনি অঞ্চলসমূহ ।

( খ ) নিৰক্ষীয় প্ৰাকৃতিক অঞ্চল ।

( গ ) ভূমধ্যসাগৰীয় প্ৰাকৃতিক অঞ্চল ।

( ঘ ) মৌচুমী অঞ্চল ।

( ঙ ) এচিয়া মহাদেশৰ ভূ – প্ৰকৃতি আৰু জলবায়ু ।

( চ ) তুন্দ্ৰা অঞ্চল ।

( ছ ) পৃথিৱীৰ জনসংখ্যা আৰু ইয়াৰ বিতৰণ ।

( জ ) ক্ৰান্তীয় তৃণভূমি অঞ্চল ।

( ঝ ) ক্ৰান্তীয় উষ্ণ মৰু অঞ্চল ।

( ঞ ) শীতল সৰলবৰ্গীয় অৰণ্য অঞ্চল ।

**উত্তৰঃ** ( ক ) পৃথিৱীৰ প্ৰধান ঘাঁহনি অঞ্চলসমূহ :- পৃথিৱীৰ প্ৰধান ঘাঁহনি অঞ্চলসমূহ উত্তৰ আমেৰিকাৰ মধ্যাংশ ,ইউৰােপৰ পূৱ অংশ , এচিয়াৰ মধ্যাংশ , আৰ্জেন্টিনা , দক্ষিণ আফ্ৰিকাৰ কিছু অংশ আৰু অষ্ট্ৰেলিয়াৰ কিছু কিছু অংশত আছে । বিভিন্ন অঞ্চলত অৱস্থিত ঘাঁহনি অঞ্চলসমূহক বিভিন্ন নামেৰে জনা যায় । এচিয়া আৰু ইউৰােপ মহাদেশত এনে ঘাঁহনি অঞ্চলক ষ্টেছ ( Stepps ) নামে জনা যায় , উত্তৰ আমেৰিকাত প্ৰেইৰি ( Prairies ) , দক্ষিণ আমেৰিকাৰ আৰ্জেন্টিনাত পম্পাছ ( Pampas ) , দক্ষিণ আফ্ৰিকাত ভেল্ড ( Veld ) আৰু অষ্ট্ৰেলিয়াত ডাউনচ ( Downs) নামে জনা যায় । দক্ষিণ আমেৰিকা মহাদেশৰ অন্তৰ্গত অবিনিক ' নদীৰ অৱবাহিকাত লামাজে নামে ঘাঁহনি অঞ্চল আছে আৰু দক্ষিণৰ পাৰাগুৱে নদীৰ অৱবাহিকাত কম্পাজে আৰু পাৰাণী নদীৰ অৱবাহিকাত গ্ৰোনচাকো নামৰ বিখ্যাত ঘাঁহনি অঞ্চল আছে । ঘাঁহনি অঞ্চলত বসবাস কৰা লােকসকলৰ প্ৰধান বৃত্তি হৈছে পশুপালন । ঘাঁহনি অঞ্চলক কেন্দ্ৰ কৰি দুগ্ধ শিল্পও গঢ়ি উঠিছে আৰু চামৰ উদ্যোগ তথা নােমৰ পৰা উণ উৎপাদন সহজ হৈছে ।

( খ ) নিৰক্ষীয় প্ৰাকৃতিক অঞ্চল :- নিৰক্ষীয় প্ৰাকৃতিক অঞ্চল বিষুৱৰ দুই কাষে ১০° উত্তৰ আৰু ১০° দক্ষিণ অক্ষাংশৰ মাজত অৱস্থিত । এই অঞ্চলৰ জলবায়ু উষ্ণ আৰু আৰ্দ্ৰ । নিৰক্ষীয় প্ৰাকৃতিক অঞ্চলত সূৰ্যৰ ৰশ্মি লম্বভাৱে পৰে , সেয়ে অঞ্চলটোত দিন – ৰাতি আৰু গ্ৰীষ্ম – শীত কালৰ উত্তাপৰ তাৰতম্য নিচেই কম হয় । এই অঞ্চলত বছৰি গড় উত্তাপৰ পৰিমাণ ২৭° ছেলছিয়াচ । নিৰক্ষীয় প্ৰাকৃতিক অঞ্চলত অতিমাত্ৰা বৰষুণ হয় আৰু ইয়াত বছৰি গড় বৃষ্টিপাতৰ পৰিমাণ ২০০ ছেণ্টিমিটাৰ । সমগ্ৰ নিৰক্ষীয় প্ৰাকৃতিক অঞ্চলটো চিৰসেউজীয়া ডাঠ অৰণ্যৰে ভৰা আৰু তাত নানাবিধ লতাৰ লগতে সৰু সৰু জোপােহা বন দেখা যায় । এই অঞ্চলটোত গােটেই বছৰ জুৰি অতিপাত গৰম থাকে আৰু বৃষ্টিপাতৰ পৰিমাণ অধিক হােৱাৰ বাবে ইয়াৰ প্ৰাকৃতিক পৰিৱেশ মানুহৰ বসবাস উপযােগী নহয় । নিৰক্ষীয় প্ৰাকৃতিক অঞ্চলৰ আন্তৰ্গত ঠাইসমূহ হৈছে — দক্ষিণ আমেৰিকাৰ আমাজান নদীৰ অৱবাহিকা , আফ্ৰিকাৰ কংগাে নদীৰ অৱবাহিকা , পশ্চিম আফ্ৰিকাৰ গিনি উপকূল , দক্ষিণ – পূৰ্ব এচিয়াৰ মালয়েছীয় উপদ্বীপ আৰু ইণ্ডােনেছিয়াৰ লগতে ফিলিপাইন দ্বীপপুঞ্জ ।

( গ ) ভূমধ্যসাগৰীয় প্ৰাকৃতিক অঞ্চল :- ভূমধ্য সাগৰৰ দাঁতিকাষৰীয়া অঞ্চলকেই ভূমধ্যসাগৰীয় প্ৰাকৃতিক অঞ্চল বােলা হয় । মধ্য অক্ষাংশত অৱস্থিত মহাদেশৰ পশ্চিম প্ৰান্তীয় আৰু ক্ৰান্তীয় মৰু অঞ্চলৰ উত্তৰ অংশৰ ঠাইবােৰত ভূমধ্যসাগৰীয় জলবায়ু বিৰাজ কৰে । এই অঞ্চলত গ্ৰীষ্মকাল উষ্ণ আৰু শুকান হয় আৰু শীতকাল ঠাণ্ডা আৰু সেমেকা হয় । এই অঞ্চলত গ্ৰীষ্মকাল কিছু দীঘল আৰু শীতকালত কিছু পৰিমাণে বৰষুণ হয় । অঞ্চলটোত বছৰটোৰ গড় উষ্ণতা ৮ ৰ পৰা ২৫° ছেলছিয়াচৰ ভিতৰত থাকে । অঞ্চলটোৰ প্ৰধান প্ৰাকৃতিক উদ্ভিদ হৈছে চিৰ সেউজীয়া চুটি গছ – গছনি আৰু জোপােহা বননি । ভূমধ্যসাগৰৰ কাষৰীয়া দক্ষিণ ইউৰােপ , দক্ষিণ – পশ্চিম এচিয়া আৰু আফ্ৰিকাৰ উত্তৰ অংশক লৈ ভূ-মধ্য সাগৰীয় প্ৰাকৃতিক অঞ্চলটো গঠিত হৈছে । আকৌ উত্তৰ আমেৰিকাৰ উপকূল বৰ্তী কেলিফৰ্নিয়া , দক্ষিণ আমেৰিকাৰ মধ্য চিলি ,

দক্ষিণ আফ্ৰিকাৰ কেপ উপকূল আৰু অষ্ট্ৰেলিয়াৰ দক্ষিণ – পশ্চিম উপকূল অংশ ভূ-মধ্য সাগৰীয় প্ৰাকৃতিক অঞ্চলৰ ভিতৰত পৰে । এই অঞ্চলৰ মানুহৰ জীৱিকা নিৰ্বাহৰ প্ৰধান উৎস হৈছে কৃষি । অঞ্চলটোৰ সমভূমিবাৰেৰ মাটিভাগ সাৰুৱা বাবে তাত প্ৰচুৰ পৰিমাণে কৃষিজাত সামগ্ৰী আৰু ফল – মূল উৎপাদন হয় । প্ৰচুৰ পৰিমাণে উৎপাদিত ফল বিশেষকৈ আঙুৰৰ পৰা বিভিন্ন প্ৰকাৰৰ মদ প্ৰস্তুত কৰা হয় আৰু এইবাৰে অঞ্চলটো অৰ্থনৈতিক দিশত আগবঢ়াত সহায়ক হৈছে ।

( ঘ ) মৌচুমী অঞ্চল :- নিৰক্ষীয় প্ৰাকৃতিক অঞ্চলৰ , উত্তৰে ১০° ৰ পৰা ৩০° উত্তৰ অকাংশ আৰু দক্ষিণে ১০° ৰপৰা ৩০° দক্ষিণ অক্ষাংশলৈকে মৌচুমী অঞ্চল ( Monsoon Region ) বিস্তৃত । মৌচুমী বতাহৰ দ্বাৰা প্ৰভাৱান্বিত ঠাইসমূহ মৌচুমী অঞ্চলৰ অন্তৰ্গত । মৌচুমী অঞ্চলৰ জলবায়ুৰ প্ৰধান বৈশিষ্ট্য হৈছে ঋতু পৰিৱৰ্তন -— অৰ্থাৎ উষ্ণ আৰু আৰ্দ্ৰ গ্ৰীষ্মকাল , ঠাণ্ডা আৰু শুকান শীতকাল । এই অঞ্চলত গ্ৰীষ্মকাল আৰু শীতকালৰ মাজত উত্তাপ পাৰ্থক্য হৈছে ১৫° ছেলছিয়াচ আৰু বছৰি বৃষ্টিপাতৰ পৰিমাণ গড়ে ২০০ ছেণ্টিমিটাৰ । অঞ্চলটোত পৰ্ণপাতী উদ্ভিদ অধিক পৰিমাণে জন্মে । ভাৰতবৰ্ষকে ধৰি দক্ষিণ এচিয়া , দণি – পূৰ্ব এচিয়া , অস্ট্ৰেলিয়াৰ উত্তৰ পূৰ অংশ , আফ্ৰিকাৰ পূৱ অংশ , ব্ৰাজিলৰ পূৱ অংশ , মধ্য আমেৰিকা আদি অঞ্চল মৌচুমী প্ৰাকৃতিক অঞ্চলৰ ভিতৰত পৰে । অঞ্চলটোৰ জনসাধাৰণৰ জীৱন নিৰ্বাহৰ প্ৰধান অৱলম্বন হৈছে কৃষি আৰু ইয়াৰ নদী উপত্যকাসমূহত যথেষ্ট পৰিমাণে কৃষি উৎপাদন হয় । গৰম আৰু সেমেকা জলবায়ুৰ লগতে ঋতু পৰিৱৰ্তনৰ বাবে অঞ্চটো নানাবিধ শস্য উৎপাদনৰ বাবে উপযাোগী আৰু সেয়ে অঞ্চলটো ঘন জনবসতিপূৰ্ণ ।

( ঙ ) এচিয়া মহাদেশৰ ভূ – প্ৰকৃতি আৰু জলবায়ু :- এচিয়া মহাদেশখন ভিন্ন প্ৰকাৰৰ ভূ – প্ৰকৃতিৰে পৰিপূৰ্ণ । মহাশখন সুউচ্চ পৰ্বতশ্ৰেণী , মালভূমি , নদী – উপত্যকা , নিম্নভূমি , উপকূলীয় সমভূমি , দ্বীপ আৰু মৰুভূমি আদিয়ে আৱৰি আছে । মহাদেশখনৰ মধ্য অংশ পৰ্বত আৰু মালভূমিৰে ভৰা আৰু ইয়াত অৱস্থিত উল্লেখযাোগ্য পৰ্বতমালা হৈছে — ইউৰাল পৰ্বতমালা , হিমালয় পৰ্বতমালা , কাৰাকোৰাম পৰ্বতমালা , আৰাৱলী পৰ্বত আদি । মহাদেশখনৰ প্ৰধান মালভূমিসমূহ হৈছে — তিব্বত মালভূমি , পৃথিৱীৰ উচ্চতম পামিৰ মালভূমি , ছাইবেৰিয়া , মালভূমি , মংগাোলীয় মালভূমি , দাক্ষিণাত্য মালভূমি আৰু ইৰাণ মালভূমি । মহদেশখনত বহুতাো ভাওঁৰ ডাওঁৰ নৈ আৰু ব – দ্বীপ আছে আৰু লগতে বহুকেইখন উল্লেখযাোগ্য মৰুভূমি এচিয়া মহাদেশতেই অৱস্থিত । এচিয়া মহাদেশত বিৰাজ কৰা প্ৰধান জলবায়ুৰ প্ৰকাৰসমূহ হৈছে— নৈৰক্ষিক জলবায়ু , ক্ৰান্তীয় মৌচুমী জলবায়ু , মেৰু জলবায় , নাতিশীতোষ্ণ জলবায়ু আৰু মেৰুদেশীয় জলবায় । অৰ্থাৎ মহাদেশখনত সকলাো প্ৰকাৰৰ জলবায়ু বিৰাজ কৰে ।

( চ ) তুন্দ্ৰা অঞ্চল :- মেৰুদেশীয় তুন্দ্ৰা অঞ্চলটো উত্তৰ গাোলাৰ্ধৰ অন্তৰ্গত সুমেৰু বৃত্তৰ উত্তৰে অৱস্থিত । তুন্দ্ৰা অঞ্চলৰ জলবায়ুৰ প্ৰধান বৈশিষ্ট্য হৈছে অতিপাত ঠাণ্ডা জলবায়ু । এই অঞ্চলৰ গ্ৰীষ্মকাল চুটি আৰু শীতকাল দীঘলীয়া । গ্ৰীষ্মকালত দিনৰ ভাগৰ উষ্ণতা ০ –

১০° ছেলছিয়াচৰ ভিতৰত থাকে আৰু শীতকালৰ উষ্ণতা – ১৮° ছেলছিয়াচলৈ হ্রাস পায় । তুন্দ্রা অঞ্চলত বৰষুণৰ পৰিমাণ অতি কম আৰু অঞ্চলটো অধিকাংশ সময় বৰফেৰে আবৃত হৈ থাকে । তুন্দ্রা অঞ্চলৰ অন্তৰ্গত ঠাইসমূহ হৈছে গ্রীণলেণ্ড , উত্তৰ গােলাৰ্ধৰ এচিয়া , ইউৰােপ আৰু উত্তৰ আমেৰিকাৰ মেৰুৰ কাষৰী অঞ্চল আৰু দক্ষিণ গােলাৰ্ধৰ এন্টাৰ্কটিকা আৰু ছাইবেৰিয়াৰ বিস্তীৰ্ণ এলেকা । তুন্দ্রা অঞ্চলত অতিপাত শীতল জলবায়ুৰ বাবে জীৱকা নিৰ্বাহ অতি কষ্টকৰ আৰু ইয়াৰ অধিবাসীসকলে অঘৰী জীৱন যাপন কৰে । এই অঞ্চলৰ লােকসকলে জীৱ – জন্তু চিকাৰ আৰু সাগৰৰ পৰা মাছ সংগ্ৰহ কৰি জীৱন যাপন কৰে । শীতকালত ইয়াৰ লােকসকলে বৰফৰ দ্বাৰা নিৰ্মিত ইগলু ( Igloo ) নামৰ ঘৰত বাস কৰে । সম্প্রতি কানাডা , আমেৰিকা যুক্তৰাষ্ট্ৰ , ৰাচিয়া আদি উন্নত দেশসমূহৰ সতে এই অঞ্চলৰ লোকসকল যােগাযােগ হােৱাত তেওঁলােকৰ জীৱন প্ৰণালী কিছু পৰিৱৰ্তন হৈছে । আলস্কাত পেট্ৰলিয়াম আৰু সােণ , লাব্রাডােৰত লাে আৰু ছাইবেৰিয়াত নিকেল আৱিষ্কাৰ হােৱাত তুন্দ্রা অঞ্চলত বহুতাে স্থায়ী বসতি গঢ়ি উঠিছে । তুন্দ্রা অঞ্চলৰ লােকসকলৰ যাতায়ত প্ৰধান আহিলা হৈছে কুকুৰে টনা শ্লেজ গাড়ী । সম্প্রতি উত্তৰ গোলাৰ্ধৰ তুন্দ্রা অঞ্চলটো অৰ্থনৈতিক দিশত অতি গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে ।

( ছ ) পৃথিৱীৰ জনসংখ্যা আৰু ইয়াৰ বিতৰণ :- ২০০৭ চনৰ এক আনুমানিক তথ্য সৰি পৃথিৱীৰ মুঠ জনসংখ্যা হৈছে ৬৬২ কোটি । পৃথিৱীৰ মুঠ জনসংখ্যা প্ৰায় ৯০ শতাংশ লােক কেৱল উত্তৰ গােলাৰ্ধত বসবাস কৰে । পৃথিৱীৰ ভূ – প্রকৃতি , জলবায়ু , মাটি , উদ্ভিদ , জীৱ – জন্তু আদিৰ বৈশিষ্ট্য ঠাইভেদে ভিন্ন হােৱা বাবে জনসংখ্যাৰ বিতৰণ সকলাে ঠাইতে সমান নহয় । পৃথিৱীৰ মুঠ জনসংখ্যাৰ ৬০৫ শতাংশ কেৱল এচিয়া মহাদেশতে আছে । পৃথিৱীৰ অনুকূল প্ৰাকৃতিক পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ অঞ্চলবােৰ অৰ্থনেতিক ভাৱে আগবঢ়া আৰু সেয়ে জনবসতি অধিক ।

আনহাতে প্ৰতিকূল প্ৰাকৃতিক পৰিৱেশ আৰু প্ৰয়ােজনীয় প্ৰাকৃতিক সম্পদৰ অভাৱ থকা পৃথিৱীৰ বহুতাে অঞ্চল অৰ্থনৈতিকভাৱে অনগ্ৰসৰ আৰু জনবসতি সেৰেঙা । যিবােৰ অঞ্চলত কৃষি কাৰ্যৰ বিশেষ সুবিধা নাই আৰু জলবায়ু বসবাসৰ বাবে উপযােগী নহয় আৰু জনা বাৰণৰ জীৱন নিৰ্বাহ অতি কষ্টকৰ তেনেবােৰ ঠাইত জনবসতি পাতল ।

আনহাতে সাৰুৱা ভূমি থকা নদী উপকাৰ সমভূমি অঞ্চল কৃষিকাৰ্যৰ বাবে অধিক উপযােগী আৰু যাতীত – পৰিবহণৰ সুব্যবস্থা আছে , তেনেবােৰ ঠাইত শিল্প – উদ্যোগ গঢ়ি উঠাত সহজ হয় আৰু তেনেবােৰ ঠাইত জনবসতি ঘন হয় । এনেদৰে ভিন্ন ভূ – প্ৰাকৃতিক কাৰকৰ বাবে পৃথিৱীৰ বিভিন্ন অঞ্চলত জনবসতিৰ পাৰ্থক্য পৰিলক্ষিত হয় ।

( জ ) ক্রান্তীয় তৃণভূমি অঞ্চল :- ক্রান্তীয় তৃণভূমি অঞ্চল ক্রান্তীয় বলয়ত অৱস্থিত মহাদেশৰ অন্তৰ্গত । দক্ষিণ আমেৰিকা , আফ্রিকা আৰু অষ্ট্রেলিয়া মহাদেশত ক্রান্তীয় তৃণভূমি অঞ্চল ১০° -২৫° উত্তৰ আৰু দক্ষিণ অক্ষাংশলৈ বিস্তৃত হৈ আছে । ক্রান্তীয়

তৃণভূমি অঞ্চলৰ জলবায়ুৰ বৈশিষ্ট্য হৈছে উষ্ণ আৰু চুটি গ্ৰীষ্মকাল আৰু শুকান আৰু দীঘলীয়া শীতকাল । এই অঞ্চলত দৈনিক আৰু ঋতুভেদে উষ্ণতাৰ তাৰতম্য অধিক হয় । অঞ্চলটোৰ বছৰটোত বৰষুণৰ পৰিমাণ ২৫ ৰ পৰা ১০০ ছেণ্টিমিটাৰৰ ভিতৰত থাকে । এই অঞ্চলত তিনি মিটাৰ পৰ্যন্ত ওখ ঘাঁহ জাতীয় উদ্ভিদে বিস্তৃত ঘাহনিৰ সৃষ্টি কৰে আৰু এই ঘাঁহনিক ছাভানা ( Sayannah ) বুলি জনা যায় ।

দক্ষিণ আফ্ৰিকাৰ ব্ৰাজিল উচ্চভূমি , অৰিনিক নদীৰ অৱবাহিকা , আফ্ৰিকাৰ জাইৰে অৱবাহিকাৰ উত্তৰ আৰু দক্ষিণ অংশ , পূৱ আফ্ৰিকাৰ উচ্চভূমি আৰু অষ্ট্ৰেলিয়াৰ উত্তৰ অংশ ক্ৰান্তীয় তৃণভূমি অঞ্চলৰ ভিতৰত পৰে । এই তৃণভূমি অঞ্চল বিস্তৃত ঘাঁহনিৰ বাবে পশুপালনৰ অধিক উপযাোগী , সেয়ে অঞ্চলটোৰ অধিকাংশ ঠাইতে বাণিজ্যিক ভিত্তিত গৰু , মহ , ভেৰা আৰু ছাগলী পাোহা হয় । অঞ্চলটোৰ অধিকাংশ লাোকে পশুপালন আৰু চিকাৰ কৰি জীৱন নিৰ্বাহ কৰাৰ লগতে কিছু অংশত কৃষিকাৰ্যও কৰে । অঞ্চলটো যাতায়ত আৰু যাোগাযাোগ ব্যৱস্থাত অধিক পিছপৰা বাবে জনবসতি পাতল ।

( ঝ ) ক্ৰান্তীয় উষ্ণ মৰু অঞ্চল :- পৃথিৱীৰ মহাদেশসমূহৰ পশ্চিম প্ৰান্তত ক্ৰান্তীয় উষ্ণ মৰু অঞ্চল অৱস্থিত আৰু অঞ্চলটো ২৩ .৫° উত্তৰ কৰ্কটক্ৰান্তি আৰু ২৩.৫° দক্ষিণ মকৰক্ৰান্তি কাষৰীয়া অঞ্চললৈকে বিস্তৃত । এই অঞ্চলৰ জলবায়ু সদায়ে উষ্ণ আৰু শুকান আৰু দিন – ৰাতিৰ উষ্ণতাৰ তাৰতম্য অধিক । অঞ্চলটোত গ্ৰীষ্মকালত দিনৰ ভাগত উত্তাপ ৪৫° ছেলছিয়াচলৈ বৃদ্ধি পায় আৰু বছৰি গড় বৰষুণৰ পৰিমাণ মাত্ৰ ২০ ৰ পৰা ২৫ ছেণ্টিমিটাৰৰ ভিতৰত থাকে । বৰষুণৰ অভাৱত এই অঞ্চলটোৰ কিছু অংশত চুটি ঘাঁহ আৰু কাঁইটীয়া উদ্ভিদ জন্মে । অঞ্চলটোৰ মৰুভূমিত থকা মৰুদ্যানবাোৰত খেজুৰ জাতীয় উদ্ভিদ জন্মে । ক্ৰান্তীয় মৰু অঞ্চলৰ অন্তৰ্গত দেশসমূহ হৈছে — এচিয়াৰ আৰৱ , ইৰাণ , আফগানিস্তান , সিন্ধুৰ মৰুময় অঞ্চল , ভাৰতবৰ্ষৰ থৰ মৰুভূমি , আফ্ৰিকাৰ ছাহাৰা আৰু কালাহাৰী , দক্ষিণ আমেৰিকাৰ আটাকামা আৰু অস্ট্ৰেলিয়াৰ বৃহৎ মৰুভূমি অঞ্চল । মৰু অঞ্চলৰ অধিকাংশ ঠাই জনবসতিহীন । মৰুভূমিৰ অধিবাসীসকলে প্ৰকৃতিৰ পৰা খাদ্য সংগ্ৰহ আৰু বনৰীয়া জীৱ – জন্তু চিকাৰ কৰি জীৱন নিৰ্বাহ কৰে । সম্প্ৰতি মৰুভূমি অঞ্চলত নলী , নদী – উপত্যকা আৰু জলসিঞ্চনৰ যাোগেদি কৃষিকাৰ্যৰ সামান্য বিকাশ হৈছে ।

( ঞ ) শীতল সৰলবৰ্গীয় অৰণ্য অঞ্চল :- শীতল সৰলবৰ্গীয় অৰণ্য অঞ্চল উত্তৰ গাোলাৰ্ধৰ ৫০°-৭০° ° অক্ষাংশৰ মাজত বিস্তৃত । এই অঞ্চলৰ উত্তৰে তুন্দ্ৰা অঞ্চল আৰু দক্ষিণে মধ্য অক্ষাংশ তৃণভূমি অঞ্চল অৱস্থিত । শীতল সৰলবৰ্গীয় অৰণ্য অঞ্চলৰ জলবায়ু কিছু শুকান আৰু ঠাণ্ডা হাোৱাৰ লগতে গ্ৰীষ্মকালত উত্তাপ গড়ে ১৫° ছেলছিয়াচলৈ বৃদ্ধি পায় । এই অঞ্চলত শীতকালত উষ্ণতা হ্ৰাস পাোৱাৰ ফলত বৰফ পৰে । অঞ্চলটোত শীতকালতকৈ গ্ৰীষ্মকাল চুটি হয় আৰু গ্ৰীষ্মকালত কিছু পৰিমাণে বৰষুণ হয় । শীতল আৰু শুকান জলবায়ুৰ বাবে এই অৰণ্য অঞ্চল চিৰসেউজীয়া সৰলবগীয় গছ – গছনিৰে ভৰা । এই অঞ্চল ইউৰাোপৰ স্কেণ্ডিনেভিয়াৰ পৰা পূৱে প্ৰশান্ত

উপকূল আৰু উত্তৰ আমেৰিকাৰ আলাস্কাৰ পৰা পূৰে আটলান্টিকাৰ উপকূললৈকে বিস্তৃত । ইউৰোপ , এচিয়া মহাদেশ আৰু উত্তৰ আমেৰিকাৰ এক বিস্তীৰ্ণ অঞ্চল এই সৰলবৰ্গীয় অৰণ্য অঞ্চলৰ অন্তৰ্গত ।

এই অঞ্চলটো কৃষিকাৰ্যৰ বাবে অনুপযা◌েগী । ইয়াৰ বাসিন্দাসকলে জন্তু চিকাৰ আৰু অৰণ্যৰ পৰা কাঠ সংগ্ৰহ কৰিয়েই জীৱিকা নিৰ্বাহ কৰে । ইউৰা◌েপৰ নৰৱে , ফিনলেণ্ড , ছুইডেন আদি দেশ কাঠৰ মণ্ড আৰু তাৰপৰ কাগজ তৈয়াৰ কৰি সম্প্ৰতি অৰ্থনৈতিক দিশত কিছু অগ্ৰসৰ হৈছে । বৰ্তমান এনে অঞ্চলত নানা প্ৰকাৰৰ খনিজ দ্ৰব্য আৱিষ্কাৰ হা◌েৱাত তাত বহুতো শিল্পদ্যোগ গঢ়ি উঠিছে আৰু অৰ্থনৈতিকভাৱে যথেষ্ট আগবাঢ়িছে । শীতল সৰলবগীয় অৰণ্য অঞ্চল বসবাসৰ অনুপযা◌েগী বলে তাত জনবসতি অতি সেৰেঙা ।